৫ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত


# অসম আদিত্য

১১ কাতি, ১৯৪৭ শক | বুধবাৰ, ২৯ অক্টোবৰ, ২০২৫ | Asom Aditya, Dibrugarh, Wednesday, October 29, 2025


বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মালক্ষ্মী বৰা শইকীয়াই আত ধৰা চমু অনুষ্ঠানৰ আৰম্ভণিতে অধ্যক্ষ মোহন সোনোৱাল বিচাৰক হিচাপে উপস্থিত থকা তিনিচুকীয়া ডায়েটৰ প্ৰবক্তা দূৰ্গেশ্বৰ শইকীয়া আৰু টেঙাখাত উচ্চ বুনিয়াদী বিদ্যালয়ৰ শিক্ষক অংকুৰ বৰা তথা মুখ্য অতিথি সাংবাদিক নৱ কুমাৰ গগৈয়ে অসমৰ সাংস্কৃতিক জগতৰ উজ্জ্বল নক্ষত্ৰ জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা জনাই গণ শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি চমুকৈ বক্তব্য প্ৰদান কৰে ক্ৰমে অধ্যক্ষ মোহন সোনোৱাল, নৱ কুমাৰ গগৈ আৰু দূৰ্গেশ্বৰ শইকীয়াই। ইয়াৰ পিছতে ছাত্ৰ-ছাত্ৰীসকলে উপস্থাপন কৰা প্ৰতিটো মডেল বিচাৰকদ্বয়ে পৰ্যবেক্ষণ কৰে আৰু ইয়াৰ তাৎপৰ্য ছাত্ৰ-ছাত্ৰীসকলৰ পৰা জানিব বিচাৰে। শেষত বিচাৰকৰ সিদ্ধান্তমৰ্মে অষ্টমৰ পৰা নৱম শ্ৰেণীৰ শাখাত চুহানা বেগম গ্ৰুপে প্ৰথম, কৌশিক গগৈ গ্ৰুপে দ্বিতীয় আৰু অৰ্পনা সোনোৱাল গ্ৰুপে তৃতীয় স্থান অধিকাৰ কৰে। পঞ্চমৰ পৰা সপ্তম শ্ৰেণী শাখাত গৰিয়সী সোনোৱাল গ্ৰুপে প্ৰথম, ধৰিত্ৰী কোঁৱৰ গ্ৰুপে দ্বিতীয় আৰু নিলিম সোনোৱাল গ্ৰুপে তৃতীয় স্থান অধিকাৰ কৰি নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰে। অন্যহাতে, নিম্ন শাখাত তৃতীয় শ্ৰেণীয়ে প্ৰথম, চতুৰ্থয়ে দ্বিতীয়, প্ৰথম শ্ৰেণীৰ 'এ' গ্ৰুপে তৃতীয়, দ্বিতীয় শ্ৰেণীয়ে ৪ৰ্থ আৰু প্ৰথম শ্ৰেণীৰ 'বি' গ্ৰুপে পঞ্চম স্থান অধিকাৰ কৰে।

## কানৈত সোনোৱাল কছাৰী যুৱ-পৰিষদৰ আলোচনা-চক্ৰৰ আয়োজন

**ষ্টাফ ৰিপৰ্টাৰ, ২৮ অক্টোবৰ ঃ** 'সোনোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদক ষষ্ঠ অনুসূচী আৰু সাংবিধানিক গেৰাণ্টীযুক্ত স্বায়ত্ত শাসন প্ৰদান' শীৰ্ষক এখন আলোচনা-চক্ৰ অহা নৱেম্বৰত আয়োজন কৰিছে। সোনোৱাল কছাৰী যুৱ-পৰিষদৰ উদ্যোগত এই আলোচনা-চক্ৰখনি ডিব্ৰুগড় চহৰৰ কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'ব। দিনৰ ১০.৩০ বজাৰ পৰা আৰম্ভ হ'বলগীয়া আলোচনা-চক্ৰখনি উদ্বোধন কৰিব কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা বিশিষ্ট লেখক ড০ শশীকান্ত শইকীয়া। চৈখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ শান্তনু দাস বৰহাজোৱালে সঞ্চালনা কৰিবলগীয়া আলোচনা-চক্ৰত কোকৰাঝাৰ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ চানচুমা খুংগুৰ বিচমতিয়াৰীয়ে মুখ্য অতিথি আৰু জনজাতি মহাসংঘৰ সাধাৰণ সম্পাদক ৰিমল আমাচিয়ে নিৰ্দিষ্ট বক্তা হিচাপে ভাগ ল'ব। আলোচনা-চক্ৰখনিত ৰাইজৰ সহায়-সহযোগ আৰু উপস্থিতি কামনা কৰিছে সোনোৱাল কছাৰী যুৱ-পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মিলন সোনোৱাল, ভাৰপ্ৰাপ্ত সাঃ সম্পাদক লোকেশ্বৰ সোনোৱালে।

## দুলীয়াজান কলে

**বিশেষ প্ৰতিনিধি, দুলীয়াজান, ২৮ অক্টোবৰ ঃ** দুলী
আয়োজিত এক অনুষ্ঠানত কালি মুখ্যমন্ত্ৰীৰ নিযুত মইনা অঁ
কৰা হয় । এই অনুষ্ঠানত মুখ্য অতিথিৰূপে উপস্থিত থা
সমিতিৰ সভাপতি সুদৰ্শন বসুমতাৰী আৰু সন্মানীয় অতি
দুলীয়াজান সমজিলাৰ আয়ুক্ত অংকুৰ দাস। অনুষ্ঠান
লাই ভষ্ট্ৰীমিঙ প্ৰদৰ্শনৰ অন্তত আদৰণী ভাষণ প্ৰ
মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ লোকবিকাশ গগৈয়ে।

## 'চোতালৰ আঁক-বাক'

**ডিব্ৰুগড়, ২৮ অক্টোবৰ ঃ** আজি মৰাণৰ বাল্য বিকাশ
বিশিষ্ট কবি, সাহিত্যিক, ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা প্ৰাপ
সংকলন 'চোতালৰ আঁক-বাক' উন্মোচন কৰে ড০ অনি
সভাত উপস্থিত থাকে গ্ৰন্থক্ষেত্ৰৰ সচিব ড০ স্বপন কুমাৰ
তুলসী গগৈ, প্ৰসন্ন দিহিঙীয়া, মানসী গগৈ, পৱিত্ৰ চুতীয়া,
ভূঞা, প্ৰদীপ বৰুৱা, যোগেন্দ্ৰ সিং, প্ৰদীপ বৰা। কৰবী ব
কবিতা পাঠ কৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থি
মৰাণৰ জ্যেষ্ঠ চিকিৎসক ডাঃ লোহিত কুমাৰ বৰা, চন্দ্ৰে